# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date : 04**-07-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES
::::::::::::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এদিনীয়া ভ্ৰমণসূচীৰে ৰাজস্থান আৰু গুজৰাটলৈ ৰাওনা হ'ব।

২। ভাৰতে চলিত বছৰত ১ ত্ৰিলিয়ন ডলাৰ মূল্যৰ সামগ্ৰী ৰপ্তানিৰ লক্ষ্য লৈছে বুলি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিযুষ গোৱেলে প্ৰকাশ কৰে।

৩। ৰপ্তানিৰ জৰিয়তে অসমৰ অৰ্থনীতিক শক্তিশালী আৰু বাণিজ্যিক শৃংখল গঢ়ি তোলাৰ দিশত অৰিহণা আগবঢ়াব বুলি মন্ত্ৰী বিমল বৰাই মন্তব্য কৰে।

৪। প্ৰতিদিনে জম্মুলৈ অহা হাজাৰ হাজাৰ তীৰ্থ যাত্ৰীয়ে বাৰ্ষিক অমৰনাথ যাত্ৰাক বিশেষ গতি দিছে।

*আৰু*

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আৰ্জেণ্টিনাই কেপ ভাৰ্দেক আৰু ইজিপ্তে অষ্ট্ৰেলিয়াক পৰাস্ত কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এদিনীয়া ভ্ৰমণসূচীৰে ৰাজস্থান আৰু গুজৰাটলৈ ৰাওনা হ'ব। প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰথমে ৰাজস্থান ভ্ৰমণ কৰিব আৰু তাত তেওঁ জয়পুৰ বিমান বন্দৰৰ নতুন টাৰ্মিনেল ভৱনটো উদ্বোধন কৰিব। প্ৰায় ৪৮০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই ভৱনটোৰ জৰিয়তে বছৰি ২০ লাখ যাত্ৰী উপকৃত হ'ব। শ্ৰীমোদীয়ে যোধপুৰত উড়ান আঁচনিৰ নতুন ৰূপ মুকলি কৰিব। এই আঁচনিৰ জৰিয়তে বিমান পৰিবহন ক্ষেত্ৰক বিকশিত কৰাৰ লক্ষ্য লোৱা হৈছে। এই ভ্ৰমণ কালতে তেওঁ ৰাজ্যখনৰ বালোট্ৰাত প্ৰায় ১ লাখ ছহেজাৰ কোটি টকাৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰিব। এই প্ৰকল্পসমূহে পেট্ৰ'কেমিকেল, নগৰ পৰিবহন, ৰেলৱে, পথ, পুনৰ নবীকৰণযোগ্য শক্তি, শক্তি ৰূপান্তৰ আদি বিভিন্ন খণ্ডক সামৰি ল'ব। দেশৰ শক্তি আৰু পেট্ৰ'কেমিকেল খণ্ডই বৃহৎ সাফল্য হিচাপে প্ৰধানমন্ত্ৰীয়ে বালোট্ৰাৰ পাছপাড্ৰাত নিৰ্মাণ কৰা দেশৰ প্ৰথমটো গ্ৰীনফিল্ড শোধনাগাৰ তথা পেট্ৰ'কেমিকেল প্ৰকল্পটো ৰাষ্ট্ৰৰ নামত উচৰ্গা কৰিব। হিন্দুস্তান পেট্ৰ'লিয়াম নিগম লিমিটেড আৰু ৰাজস্থান চৰকাৰৰ যুটীয়া উদ্যোগত বছৰি ৯ মিলিয়ন মেট্ৰিকটন তেল উৎপাদন কৰিব পৰা গ্ৰীণফিল্ড ৰিফাইনাৰি তথা পেট্ৰ' কেমিকেল চৌহদটো ৭৯ হাজাৰ ৪৫০ কোটিটকৈও অধিক টকা ব্যয় সাপেক্ষে প্ৰতিষ্ঠা কৰা হৈছে। তেওঁ ১৩ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া জয়পুৰ মেট্ৰ' ৰে'ল প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰিব। প্ৰহ্লাদপুৰৰ পৰা তোড়িমোৰলৈ নিৰ্মাণ কৰিবলগীয়া এই দ্বিতীয় পৰ্যায়ৰ ৪১ কিলোমিটাৰ দৈৰ্ঘ্যৰ উত্তৰ-দক্ষিণ মেট্ৰ' কৰিড'ৰে সীতাপুৰা আৰু বিশ্বকৰ্মা ঔদ্যোগিক অঞ্চলৰ মাজৰ ৩৬টা ষ্টেচনক সংযোগ কৰিব। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে চুৰু-চাদুলপুৰ আৰু চুৰু-ৰতনগড় দ্বৈত ৰে'ল প্ৰকল্প আৰু চাৰিলেনযুক্ত ১২৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ তথা যোথপুৰ ৰিং ৰোড ছেকছন টু ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব।

তেওঁ লগতে এহেজাৰ মেগাৱাট বিকানেৰ সৌৰ শক্তি প্ৰকল্পও ৰাইজৰ নামত উৎসৰ্গা কৰিব। প্ৰধানমন্ত্ৰীয়ে ৰাজস্থান চৰকাৰৰ বিভিন্ন বিভাগত নিযুক্তি দিবলগীয়া প্ৰায় ৫৪ হাজাৰ যুৱক-যুৱতীৰ মাজত নিযুক্তি পত্ৰও বিতৰণ কৰিব।

ৰাজস্থান ভ্ৰমণ সামৰি সন্ধিয়া প্ৰধানমন্ত্ৰী গুজৰাটলৈ যাব। গুজৰাটৰ সানন্দত তেওঁ ছেমিকণ্ডাক্টৰ প্ৰকল্প উদ্বোধন কৰিব। এই প্ৰকল্প ভাৰতৰ ছেমিকণ্ডাক্টৰ নিৰ্মাণ যাত্ৰাৰ মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে। ইয়াৰ জৰিয়তে বিশ্বৰ ছেমিকণ্ডাক্টৰ ক্ষেত্ৰত ভাৰতৰ স্থান সুদৃঢ় হ'ব বুলি আশা কৰা হৈছে। এই প্ৰকল্পটো ৭ হাজাৰ ৫০০ কোটিতকৈও অধিক ধন ব্যয়সাপেক্ষে নিৰ্মাণ কৰা হৈছে।

০০০০

ভাৰতে চলিত বছৰত ১ ট্ৰিলিয়ন ডলাৰ মূল্যৰ সামগ্ৰী ৰপ্তানিৰ লক্ষ্য লৈছে বুলি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিযুষ গোৱেলে  প্ৰকাশ কৰে। বছৰৰ প্ৰথম ৩টা মাহত প্ৰায় ১৫ শতাংশ বাৰ্ষিক ৰপ্তানি ইতিমধ্যে সম্পন্ন হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

*(বাইট ঃ গোৱেল)*

নতুন দিল্লীত কালি উদ্যোগীসকলৰ সৈতে হোৱা এখন বৈঠকত শ্ৰীগোৱেলে কয়, যে কেন্দ্ৰীয় চৰকাৰে দেশৰ ৰপ্তানী ব্যৱস্থা অধিক উন্নত কৰি তুলিছে য'ত প্ৰতিখন ৰাজ্য, জিলা আৰু ঔদ্যোগিক গোটক সমান গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হৈছে। ২০২৫-২৬ বিত্তীয় বৰ্ষত ভাৰতে ৮৬৩ বিলিয়ম মাৰ্কিন ডলাৰ মূল্যৰ সামগ্ৰী ৰপ্তানি কৰা বুলি মন্ত্ৰী শ্ৰী গোৱেলে প্ৰকাশ কৰে। তেওঁ কয়, যে দেশৰ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ, মজলীয়া আৰু বৃহৎ উদ্যোগসমূহেও যাতে দেশত ৰপ্তানি ব্যৱস্থাৰ জৰিয়তে লাভান্বিত হয় সেইটো সুনিশ্চিত কৰাৰ বাবে প্ৰয়াস অব্যাহত আছে। দেশৰ প্ৰতিখন জিলাকে ৰপ্তানীৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে পৰিকল্পনা গ্ৰহণ কৰিছে বুলিও শ্ৰী গোৱেলে প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰতিখন জিলাতে স্থানীয় ব্যৱসায় বিশেষকৈ অতি ক্ষুদ্ৰ, লঘূ আৰু মজলীয়া উদ্যোগীসকলক উৎসাহ জনোৱাৰ লগতে ৰপ্তানিৰ সুবিধা, নথি-পত্ৰ আৰু বজাৰৰ সুবিধা মুকলি কৰি দিয়াৰ উদ্দেশ্যে একো গৰাকীকৈ নডেল বিষয়া নিয়োগ কৰা হ'ব। তেওঁ কয়, যে ৰপ্তানী ব্যৱস্থাটো সহজ কৰি তোলাৰ বাবে চৰকাৰে ব্যৱসায়িক লেনদেনৰ  লগতে ব্যৱসায়িক সূচলতা উন্নত কৰাত গুৰুত্ব দিছে। তেঁও কয় যে ৰপ্তানীক উদগণি যোগোৱা এই ব্যৱস্থাই বিদেশতো ব্যৱসায় বাণিজ্য সম্প্ৰসাৰণ কৰাৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব। শ্ৰীগোৱেলে লগতে কয় যে ৩৮ খন বিকশিত ৰাষ্ট্ৰৰ সৈতে হোৱা মুক্ত বাণিজ্য চুক্তিয়ে ভাৰতীয় ৰপ্তানী ব্যৱস্থাক শক্তিশালী কৰি তোলাৰ লগতে বিশ্ব বজাৰত নিজৰ স্থান দখল কৰাৰ ক্ষেত্ৰত ভাৰতৰ ব্যৱসায়ীসকলক নতুন সুযোগ প্ৰদান কৰিব। তেওঁ লগতে কয়, যে ভাৰতৰ সৈতে বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব গঢ়ি তোলাৰ বাবে বিশ্বজুৰি আকৰ্ষণ বৃদ্ধি হৈছে। শেহতীয়াকৈ জাপান, গ্ৰীচ আৰু ব্ৰিটেইনৰ সৈতে হোৱা ব্যৱসায়িক লেনডেনৰ বিষয়ে প্ৰকাশ কৰি শ্ৰী গোৱেলে কয়, যে ভাৰতে ব্যৱসায়িক সম্বন্ধ শক্তিশালী কৰি তোলাৰ বাবে বিশ্বনেতা আৰু ঔদ্যোগিক প্ৰতিনিধিসকলৰ সৈতে সক্ৰিয় সহযোগিতা অব্যাহত ৰাখিছে। ইয়াৰ জৰিয়তে সমাগত সময়ত ভাৰতৰ ৰপ্তানি ব্যৱস্থা বিশেষ শক্তিশালী হৈ পৰিব বুলি শ্ৰী গোৱেলে আস্থা প্ৰকাশ কৰে।

ইফালে ভাৰত চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰালয়ৰ উদ্যোগত অনুষ্ঠিত এই বৈঠকত অসমৰ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী বিমল বৰাই অংশগ্ৰহণ কৰে। মন্ত্ৰী শ্ৰী বৰাই অসমত উৎপাদিত আগৰ, বস্ত্ৰসম্ভাৰ, কৃষিজাত সামগ্ৰী আদি ৰপ্তানিৰ জৰিয়তে শক্তিশালী অৰ্থনীতি আৰু বাণিজ্যিক শৃংখল গঢ়ি তোলাৰ দিশত আলোকপাত কৰে।

*(বাইট ঃ বিমল বৰা)*

০০০০

প্ৰতিদিনে জম্মুলৈ অহা হাজাৰ হাজাৰ তীৰ্থ যাত্ৰীয়ে বাৰ্ষিক অমৰনাথ যাত্ৰাক বিশেষ গতি দিছে। তীৰ্থ যাত্ৰী, পৰ্যটক আৰু স্থানীয় বাসিন্দাসকলক বিনোদন দিবলৈ জম্মু স্মাৰ্ট ছিটি লিমিটেডে টাৱী নদীৰ বুকুত নৌকা বিহাৰৰ ব্যৱস্থা কৰিছে। জম্মু স্মাৰ্ট ছিটি লিমিটেডৰ মুখ্য কাৰ্যবাহী বিষয়া তথা জম্মু পৌৰ নিগমৰ আয়ুক্ত ড০ দেবাংশ যাদৱে এই নৌকা যাত্ৰা মুকলি কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত ড০ যাদৱে কয়, যে জম্মু শ্ৰী অমৰনাথ যাত্ৰাৰ বাবে দুৱাৰমুখৰূপে বিবেচিত হৈ অহাৰ লগতে প্ৰতি বছৰে লাখ লাখ তীৰ্থ যাত্ৰীক আদৰণি জনায়। তেওঁ কয়, যে এই ব্যৱস্থাই যাত্ৰী তথা পৰ্যটকসকলক নিৰাপদ আৰু আনন্দময় নৌকাবিহাৰৰ অভিজ্ঞতা প্ৰদান কৰিব। এই সেৱা প্ৰতিদিনে পুৱা ১০ বজাৰ পৰা ৭ বজালৈ অব্যাহত থাকিব।

০০০০

ফিফা ফুটবল বিশ্বকাপ প্ৰতিযোগিতাৰ ৰাউণ্ড অৱ ছিক্সটীন বা অন্তিম ১৬-ৰ প্ৰৱেশৰ দৌৰত আজি কেইবাখনো গুৰুত্বপূৰ্ণ খেল অনুষ্ঠিত হয়।

ইয়াৰে, আমেৰিকাৰ মায়ামী গাৰ্ডেনছত কিছুমুহূৰ্ত পূৰ্বে সামৰণি পৰা এখন খেলত আৰ্জেন্টিনাই কেপ ভাৰ্দেক ৩-২ গ'লত পৰাস্ত কৰিছে । খেলৰ ২৯ মিনিটত লিঅ'নেল মেছিয়ে গ'ল কৰি আৰ্জেন্টিনাক অগ্ৰগতি প্ৰদান কৰে। এই গ'লটোৰ সৈতে মেছিয়ে চলিত প্ৰতিযোগিতাত নিজৰ সপ্তম গ'লটো কৰাৰ লগতে ছখন বিশ্বকাপত নিজৰ ৩০ সংখ্যক খেলত ২০ গ'ল অৰ্জন কৰাৰ এক বিৰল অভিলেখ গঢ়ে। তীব্ৰ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ আজিৰ খেলখনৰ অতিৰিক্ত সময়ৰ ১১১ মিনিটত কেপ ভাৰ্দেৰ ডিনী বৰ্গেছৰ আত্মঘাতী গ'ল এটাই আৰ্জেণ্টিনাৰ বিজয়ৰ পথ প্ৰশস্ত কৰে।

ইপিনে, আৰ্লিংটনত অনুষ্ঠিত আন এখন খেলত অষ্ট্ৰেলিয়াক পেনাল্টি শ্বুট-আউটত ৪-২ গ'লত পৰাস্ত কৰি ইজিপ্ট ৰাউণ্ড অৱ ছিক্সটীনত প্ৰৱেশ কৰিছে। নিৰ্ধাৰিত ৯০ মিনিট আৰু অতিৰিক্ত সময়তো খেলখন ১-১ গ'লত অমীমাংসিত হৈ ৰোৱাত পেনাল্টীৰ সহায় ল'বলগীয়া হয়। এই জয়ৰ জৰিয়তে ৯২ বছৰৰ অন্তত ইজিপ্তে ইতিহাস সৃষ্টি কৰি বিশ্বকাপৰ নক-আউট পৰ্যায়ত প্ৰথমবাৰৰ বাবে জয়লাভ কৰিবলৈ সক্ষম হৈছে।

ৰাউণ্ড অৱ ৩২ৰ আজিৰ আন এখন খেলত কানছাছ চিটি ষ্টেডিয়ামত কলম্বিয়া ঘানাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০

উইম্বলডন টেনিছ প্ৰতিযোগিতাত ন'ভাক জোকোভিছে ইতিহাস সৃষ্টি কৰিছে । চেণ্টাৰ ক'ৰ্টত ফ্ৰান্সৰ আৰ্থাৰ ৰিণ্ডাৰক্নেকক পৰাস্ত কৰি জোকোভিছে প্ৰতিযোগিতাখনৰ

প্ৰাক-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰাৰ লগতে উইম্বলডনৰ ইতিহাসত সৰ্বাধিক ১০৫ খন মেচ জয় কৰা ৰজাৰ ফেডেৰাৰৰ অভিলেখো স্পৰ্শ কৰে।

ইপিনে পুৰুষৰ একক শাখাত আন এখন খেলত বিশ্বৰ শীৰ্ষস্থানৰ খেলুৱৈ জানিক ছিনাৰে আমেৰিকাৰ জেনছন ব্ৰুকছবিক পোনপটীয়া ছেটত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ উন্নীত হৈছে। ইয়াৰ মাজতে প্ৰতিযোগিতাখনত এক বৃহৎ অঘটন ঘটাই জাৰ্মানীৰ জান-লেনাৰ্ড ষ্ট্ৰুফে ডেনিল মেদভেদেভক পৰাস্ত কৰিছে। তদুপৰি, কানাডাৰ ফেলিক্স অগাৰ-অলিয়ামে জয়লাভ কৰি পৰৱৰ্তী ৰাউণ্ডত নিজৰ স্থান সুনিশ্চিত কৰিছে।

মহিলাৰ একক শাখাত আমেৰিকাৰ জেছিকা পেগুলা আৰু কোকো গফৰ লগতে জাপানৰ তাৰকা খেলুৱৈ নাওমি ওছাকাই প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ